ইংৰাজী মাধ্যমেৰে কৰিতে হৈছিল। হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণসমূহ সংস্কৃত আৰু ইংৰাজী ব্যাকৰণৰ আৰ্হি অনুসৰণ কৰি লিখা অসমীয়া মাধ্যমৰ প্ৰথমখন ব্যাকৰণ। এই ব্যাকৰণখন মুঠ ১১টা অধ্যায়ত বিভক্ত আৰু ইয়াৰ উদাহৰণসমূহ আছিল সংস্কৃতীয়া।

৬/ পৰম্পৰাগত ধাৰা: অসমীয়া ভাষাৰ এই ধাৰাৰ ব্যাকৰণসমূহ অত্যাধিক পৰিমাণে কৰিতে হৈছে। ঐতিহাসিকতাৰ ভিত্তিত এই ধাৰাটোৰ প্ৰৱৰ্তক হ'ল হেমচন্দ্ৰ বৰুৱা। ১৮৭৩ চনত তেওঁ তেওঁৰ ব্যাকৰণসমূহৰ 'অসমীয়া ব্যাকৰণ' নাম দি প্ৰকাশ কৰে। ১৮৮২ চনত ৰঘুৰামে 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' নামৰ আন এখন পুথি লিখি উলিয়ায়। এই ধাৰাৰ আন কেইখন-মান ব্যাকৰণ পুথি হ'ল — দীনবন্ধু তৰ্কালংকাৰৰ 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' (১৮৭৮), ভবেশ্বৰ দুৱাৰাৰীৰ 'ল'ৰাবোধ ব্যাকৰণ' (১৮৮৪), নাৰায়ণ শৰ্মা বিদ্যাভূষণৰ 'আত্মবোধ ব্যাকৰণ' (১৮৮৭), শিৱৰাম শৰ্মা ভট্টাচাৰ্যৰ 'পৰম্পৰাগত অসমীয়া ব্যাকৰণ' (১৮৯৬), লোকনাথ শৰ্মাৰ 'অসমীয়া ব্যাকৰণ' (১৯১০), ৰতিনাৰায়ণ দত্তবৰুৱাৰ 'ব্যাকৰণ পাঠ' (২য় সং. ১৯১৮) ইত্যাদি।

৪/ <u>ভাষাতাত্ত্বিক চৰ্চা</u> : বিংশ শতিকাৰ দ্বিতীয় দশকত অসমীয়া ভাষাতত্ত্ব অধ্যয়নৰ আৰম্ভণি দেৱানন্দ ভৰালিৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' (১৯১২) অন্যতম গ্ৰন্থ। অসমীয়া ভাষাৰ উদ্ভৱ-সম্বন্ধত পোনতে ভৰালিৰ মৌলিক-চিন্তাই প্ৰকৃততে এক বিশেষ ধাৰণা প্ৰদান কৰিছে। ভৰালিৰ 'Assamese Grammar in English' আৰু 'A Study of Phonology and Vocabulary of Assamese Language' এই উল্লেখনীয় দুখন ভাষাতাত্ত্বিক গ্ৰন্থ। ১৯২৫ চনত প্ৰকাশিত সত্যনাথ বৰাৰ '<u>বহল ব্যাকৰণ</u>' খনত অসমীয়া ভাষাৰ ব্যাকৰণ সম্বন্ধে এটি নতুন আৰু বিজ্ঞানসন্মত ভাৱধাৰাৰ উন্মেষ লক্ষ্য কৰা যায়। তেওঁৰ মতে —

> "ব্যাকৰণে ভাষা নিশিকায়, ভাষাটোৰ চালি-চিৰি আৰু বিভিন্নতাবোৰৰ কেৱলহে আমাক মাথোন দেখুৱাই দিয়ে।" (বহল ব্যাকৰণ; পৃ-১২০, ১৯২৫)

এনে দৃষ্টিভংগীৰে ৰচিত হোৱা কাৰণেই ব্যাকৰণখনৰ ভিতৰ ভাগত অসমীয়া ভাষাৰ খাঁটি বৈশিষ্ট্যবোৰৰ যথাৰ্থ প্ৰতিফলন ঘটা দেখা যায়। ইয়াৰ উপৰিও, <u>গ্ৰিয়াৰ্ছনৰ 'Linguistic Survey of India'</u> (১৯২৭), ড° বাণীকান্ত কাকতিৰ 'Assamese Its Formation and Development' (১৯৪১),

কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' (১৯৩৬), শৰৎ চন্দ্ৰ গোস্বামীৰ 'সৰল ব্যাকৰণ' কালিচৰণ পাটগিৰীৰ 'লাখুটিৰ ব্যাকৰণ' যোগীৰাজ চৌধুৰীৰ 'মাইলৰোড ব্যাকৰণ', হৰমোহন দাসৰ 'সুগম ব্যাকৰণ', ধনঞ্জয় কলিতাৰ 'অসমীয়া বাক্য-বিধি ব্যাকৰণ' আদি এই ধাৰাৰ ব্যাকৰণ।

৫/ ভাষাবৈজ্ঞানিক ধাৰা: গোলোকচন্দ্ৰ গোস্বামীৰ 'Structure of Assamese', উপেন্দ্ৰনাথ গোস্বামীৰ 'A Study on Kamrupi: A Dialect of Assamese' (১৯৭০), মহেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'Historical Grammar of the Assamese Language', আদিয়ে ~~গোলোকচন্দ্ৰ~~ অসমীয়া ব্যাকৰণৰ ভাষাবৈজ্ঞানিক ধাৰাটোৰ আৰম্ভ হয়। গোলোক চন্দ্ৰ গোস্বামীদেৱৰ 'An Introduction to Assamese Phonology' (১৯৬৬), 'অসমীয়া বৰ্ণপ্ৰকাশ' (১৯৮২), 'ধ্বনিবিজ্ঞানৰ ভূমিকা' (১৯৮৫), 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ', 'ভাষা-ভাষাশিক্ষা', 'আমাৰ ভাষাৰ অনুশীলন', 'অসমীয়া ব্যাকৰণ প্ৰবেশ' (২০০০) আদি গ্ৰন্থসমূহে আধুনিক ভাষাবিজ্ঞান তথা অসমীয়া ব্যাকৰণ ধাৰাৰ প্ৰতিষ্ঠাত বিশেষ বৰঙণি যোগায়।